# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-07-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***
***:::::::::::::::::::::::::::::::***

১। গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ ভূমিত উচ্ছেদ অভিযানত কোনো অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ জাৰি কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অস্বীকাৰ।

২। মৃত ব্যক্তিৰ শৱদেহ পৰিয়ালক দিবলৈ অস্বীকাৰ কৰা ৰাজ্যৰ ব্যক্তিগত চিকিৎসালয়ৰ ওপৰত ব্যৱস্থা গ্ৰহণৰ মন্ত্ৰীসভাৰ সিদ্ধান্তৰ প্ৰতি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ আদৰণি।

৩। অসমতো আজি বিশ্ব জনসংখ্যা দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী উদযাপন।

৪। গুৱাহাটী শিশু মহোৎসৱৰ দ্বিতীয় দিনা চানমাৰিৰ বাকৰিত শিশুৰ উলহ-মালহ। *আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত লৰ্ডছত অনুষ্ঠিত তৃতীয় টেষ্টৰ দ্বিতীয় দিনা যশপ্ৰীত বুমৰাৰ উজ্জীৱিত প্ৰদৰ্শন।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ ভূমিত চৰকাৰে চলাবলগীয়া উচ্ছেদ অভিযানত কোনো অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ জাৰি কৰা নাই। বন বিভাগে বনাঞ্চলখনত উচ্ছেদ চলোৱাৰ আশংকাৰে ১৯৪ গৰাকী লোকে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰিছিল। এই লেখ আবেদনৰ ভিত্তিত গোচৰীয়াসকলৰ লগতে চৰকাৰী পক্ষৰ শুনানি লৈ উচ্চ ন্যায়ালয়ে প্ৰস্তাৱিত উচ্ছেদ অভিযানত কোনো স্থগিতাদেশ জাৰি নকৰিলে। ইয়াৰ বিপৰীতে উচ্চ ন্যায়ালয়ে অহা ২১ জুলাইত লেখ আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰিছে। উচ্চ ন্যায়ালয়ে লগতে পুনসংস্থাপনৰ ব্যৱস্থা নোহোৱা পৰ্যন্ত বন বিভাগে গোচৰীয়া লোকসকলৰ বাবে পৰ্যাপ্ত খাদ্য আৰু বিকল্প আশ্ৰয় ব্যৱস্থা কৰিব লাগিব বুলিও স্পষ্ট কৰি দিয়ে। চৰকাৰে কাইলৈৰ পৰা পাইকান সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলাবলৈ সাজু হৈছে বুলি আমাৰ স্থানীয় সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

ৰাজ্যৰ ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হোৱা ৰোগীৰ শৱদেহ বিলৰ সম্পূৰ্ণ ধন আদায় নিদিয়ালৈকে নিকটাত্মীয়ক গতাই নিদিয়া কাৰ্যৰ বিৰুদ্ধে অসম মন্ত্ৰীসভাই কালি লোৱা সিদ্ধান্তৰ প্ৰতি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে আদৰণি জনাইছে। এই বিষয়ে আমাৰ এক প্ৰতিবেদন।

বাইট

০০০০

কেন্দ্ৰীয় চৰকাৰৰ সমবায় মন্ত্ৰালয়ৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি গুৱাহাটীৰ খানাপাৰাত থকা কৃষক প্ৰশিক্ষণ কেন্দ্ৰত পালন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে মন্ত্ৰী যোগেন মহনে ভাগ লৈ সমবায়ৰ যোগে ৰাজ্যখনৰ উদ্যমী ব্যক্তিসকলক জীৱন আৰু জীৱিকাৰ সন্ধান দিয়াৰ বাবে দায়বদ্ধ হৈ দৃঢ়তাৰে কাম কৰিবলৈ বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীক আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে কেন্দ্ৰীয় সমবাশ মন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সমবায় বিভাগটোৰ যথেষ্ট আগবাঢ়ি গৈছে। কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া কেতবোৰ লক্ষ্য বিভাগটোৱে অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰী মহনে নগাঁও আৰু কামৰূপ মহানগৰ জিলাত দুখন মহিলা সমবায় বজাৰ গঢ়ি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও প্ৰকাশ কৰে। নলবাৰীত এটা মৰাপাট কল স্থাপনৰ বাবে ১৫০ কোটি টকাৰ প্ৰকল্প গ্ৰহণ কৰাৰ লগতে খেতি-পথাৰৰ মাটিৰ গুণাগুন ঘূৰাই অনাৰ বাবে কেঁচু সাৰ উৎপাদনৰ ক্ষেত্ৰতো গুৰুত্ব দিয়া হৈছে বুলি মন্ত্ৰী মহনে কয়। আজি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত সমবায় বিভাগৰ সচিব অনন্ত জ্ঞানী, নাবাৰ্ডৰ মুখ্য মহা প্ৰবন্ধককে ধৰি বিভিন্ন ক্ষেত্ৰৰ পৰা অহা প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

০০০০০

আজি বিশ্ব জনসংখ্যা দিৱস। সমগ্ৰ বিশ্বতে জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়। পৰিৱেশ তথা উন্নয়নকে ধৰি জনসংখ্যাৰ সৈতে জড়িত বিষয়সমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৯০ চনৰ ডিচেম্বৰত গ্ৰহণ কৰা এটা প্ৰস্তাৱৰ জৰিয়তে বিশ্ব জনসংখ্যা দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৯০ চনৰ ১১ জুলাইত বিশ্বৰ ৯০ খনতকৈও অধিক দেশত প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হৈছিল। এইবাৰৰ দিৱসৰ মূল বিষয় হ'ল - মাতৃ আৰু শিশু উভয়ৰে সুস্বাস্থ্য আৰু কল্যাণৰ হকে গৰ্ভধাৰণৰ মাজৰ সময়ৰ উপযুক্ত ব্যৱধান।

ৰাজ্যৰ কেইবাখনো জিলাত আজি বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। জনসংখ্যা বিস্ফোৰণ আৰু ধৰ্মীয় জনসংখ্যাগত অসমতাৰ বিষয় সন্দৰ্ভত জনসংখ্যা সমাধান ফাউণ্ডেছনৰ শাখা অনুষ্ঠানৰ ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্টৰ **বৰপেটা** জিলা সমিতিয়ে আজি জিলা আয়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। এই স্মাৰক পত্ৰৰ জৰিয়তে জনসংখ্যা নিয়ন্ত্ৰণ আইন তৎপৰতাৰে প্ৰনয়ণ আৰু কাৰ্যকৰী কৰিবলৈ দাবী জনোৱা হয়। ২০২৩ চনত চলোৱা এটা স্বাক্ষৰ সংগ্ৰহ অভিযানত এই আইনখনৰ প্ৰতি দেশৰ এক কোটি ২০ লাখতকৈ অধিক লোকৰ সমৰ্থন থকাৰ বিষয়ে তথ্য লাভ কৰা বুলি স্মাৰক পত্ৰখনত উল্লেখ কৰা হৈছে।

**মৰিগাঁও** জিলাত লায়ন্স ক্লাৱৰ উদ্যোগত আৰু মৰিগাওঁ মহাবিদ্যালয়ৰ সহযোগত এই দিৱস উপলক্ষে আজি এখন দিনযোৱা সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত লায়ন্স ক্লাৱৰ সদস্য, মহাবিদ্যালয়ৰ শিক্ষককে ধৰি এশ গৰাকীৰো অধিক লোকে অংশগ্ৰহণ কৰে।

**বজালী** জিলাৰ পাঠশালাস্থিত ছহিদ মদন ৰাওতা অসামৰিক চিকিৎসালয়ত এই দিৱসৰ সৈতে সংগতি ৰাখি এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। বজালী সদৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ দিপ্তী

চৌধুৰীয়ে শুভাৰম্ভ কৰা সভাখনত কেইবাগৰাকীও জ্যেষ্ঠ চিকিৎসক, নাৰ্চ, আশাকৰ্মী আৰু সচেতন নাগৰিক উপস্থিত থাকে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত **কাচাৰ জিলা** স্বাস্থ্য সমিতিয়ে আজি এই দিৱস বিস্তৃত কাৰ্যসূচীৰে পালন কৰে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ পৰাও আমালৈ এই দিৱস পালনৰ বাতৰি আহি আছে।

০০০০০

বি টি চিৰ প্ৰতিটো পৰিষদীয় সমষ্টিত আজি হিতাধিকাৰী আৰ্থ-সামাজিক সজাগতা সভা অনুষ্ঠিত হয়। ওদালগুৰি জিলাৰ মুদৈবৰি পৰিষদীয়া সমষ্টিৰ কলাইগাঁৱত অনুষ্ঠিত সভাত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে ৰাজ্য চৰকাৰৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, ইউ পি পি এলৰ নেতা খাম্ফা বৰগয়াৰিকে ধৰি দলটোৰ বহু কেইগৰাকী নেতা-কৰ্মী উপস্থিত থাকে। সভাত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে সভাত উপস্থিত লোকসকলক উদ্দেশ্যি দিয়া ভাষণত কেন্দ্ৰ, ৰাজ্য আৰু পৰিষদীয় চৰকাৰখনে জনসাধাৰণৰ বাবে ৰূপায়ণ কৰি অহা ধবজাবাহী আঁচনিসমূহৰ সন্দৰ্ভত বিতংকৈ ব্যাখ্যা কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ অনুসূচীত জাতি, পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয় আৰু উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ সহযোগত শোণিতপুৰ জিলাৰ অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাবে প্ৰধানমন্ত্ৰী অনুসূচীত জাতি অভ্যুদয় আঁচনিৰ অধীনত বিনামূলীয়াকৈ এবছৰীয়া বৃত্তিমূলক দক্ষতা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২০২৫-২০২৬ শৈক্ষিক বৰ্ষৰ বাবে এই বিনামূলীয়া কাৰ্যসূচীত নামভৰ্তিৰ বাবে অভিযান চলোৱা হ'ব বুলি শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তই এখন পত্ৰযোগে প্ৰকাশ কৰিছে। অহা ১৬ জুলাই পুৱা ১১ বজাৰ পৰা তেজপুৰত থকা জিলা নিয়োগ বিনিময় কেন্দ্ৰত এই নামভৰ্তি অভিযান অনুষ্ঠিত হ'ব। আই টি ই ই এছ ছিংগাপুৰৰ সহযোগিতাৰে অসম দক্ষতা বিকাশ অভিযানৰ অধীনৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত সৌন্দৰ্য চৰ্চা আৰু স্বাস্থ্য যতন, খুচুৰা সেৱাকে ধৰি বিভিন্ন বিষয়ৰ উচ্চমানৰ বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণৰ নামভৰ্তিৰ বাবে প্ৰাৰ্থীসকল অনুসূচীত জাতিৰ হোৱাৰ লগতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। প্ৰশিক্ষাৰ্থীৰ বয়স ১৭ৰ পৰা ২৫ৰ বছৰৰ ভিতৰত হ'ব লাগিব। ১৬ জুলাইত হ'বলগীয়া কাৰ্যসূচীত ইচ্ছুক প্ৰাৰ্থীসকলৰ বাবে থিতাতে নামভৰ্তিৰ ব্যৱস্থা কৰা হৈছে। আগ্ৰহী অনুসূচীৰ জাতিৰ প্ৰাৰ্থীসকলক সেইদিনা সঠিক সময়ত উপস্থিত থাকি বিনামূলীয়া দক্ষতা বিকাশ প্ৰশিক্ষণ আৰু উন্নত নিয়োগৰ সুযোগৰ বাবে সুবিধা গ্ৰহণ কৰিবলৈ শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তই আহ্বান জনাইছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না ভাগৱতীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত অনুষ্ঠিত গুৱাহাটী শিশু মহোৎসৱৰ আজি দ্বিতীয় দিনা ডেৰ শতাধিক শিশুৱে নাটক, নৃত্য, মুকাভিনয় আৰু সুকুমাৰ কলাৰ কৰ্মশালাত অংশগ্ৰহণ কৰিছে। পুৱা ১০ বজাত

আৰতি হাজৰিকাৰ যোগাসনৰ প্ৰশিক্ষণেৰে আৰম্ভ হোৱা আজিৰ কাৰ্যসূচীৰ নাট কৰ্মশালাত বিশিষ্ট নাট্যকাৰ, পৰিচালক ৰবিজিতা গগৈ আৰু নাট্য শিল্পী ৰাজীৱ কুমাৰ সাউদে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে। মুকাভিনয়ৰ কৰ্মশালাত বিশিষ্ট শিল্পী মইনুল হক আৰু তেওঁৰ সহযোগী ৰাহিল ৰিজুয়ে প্ৰশিক্ষণ প্ৰদান কৰে। সুকুমাৰ কলাৰ কৰ্মশালাত দেৱকান্ত হাজৰিকা আৰু দিগন্ত হাজৰিকা, নৃত্য কৰ্মশালাত বিশিষ্ট নৃত্য পৰিচালক আৰু শিল্পী প্ৰিয়ংকা কাশ্যপ আৰু সংগীতৰ কৰ্মশালাত ধীৰাজ ডেকা, দীপক দাস আৰু বিকাশ ৰয়ে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে। বিশিষ্ট নাট্যকাৰ-পৰিচালক, চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে গুৱাহাটী শিশু মহোৎসৱৰ চলচ্চিত্ৰ প্ৰদশনী উদ্বোধন কৰে। মহোৎসৱত শিশু উপযোগী দুখন ছুটি ছবি প্ৰদৰ্শন কৰা হয়। বিয়লি চাৰে চাৰি বজাৰ পৰা আয়োজিত সাংস্কৃতিক কাৰ্যসূচীত নাৰেংগীৰ শংকৰদেৱ বিদ্যা নিকেতন আৰু উত্তৰ গুৱাহাটীৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই আজি গড় সংৰক্ষণ আৰু প্ৰাকৃতিক প্ৰশিক্ষণ ব্যৱস্থাৰ অধীনত এখন বিশেষ সভাৰ আয়োজন কৰে। অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকে। সভাত ভাৰতীয় তেল নিগমে ছখন অত্যাধুনিক জীপ গাড়ী আনুষ্ঠানিকভাৱে বন বিভাগক অৰ্পন কৰে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ লৰ্ডছত তৃতীয় টেষ্টৰ আজি দ্বিতীয় দিনা ঘৰুৱা দল ইংলেণ্ডে প্ৰথম ইনিংছত ৩৮৭ ৰান সংগ্ৰহ কৰিছে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই আজি চাৰিটা উইকেট দখল কৰে। আজি পুৱা কালি ৪ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৫১ ৰানৰ পৰা খেলিবলৈ লয় আৰু ৯৯ ৰান কৰি অপৰাজিত হৈ থকা জ' ৰুটে তেওঁৰ শতক পূৰ্ণ কৰাৰ পাছতেই বুমৰাৰ বলত ১০৪ ৰান কৰি আউট হয়। অধিনায়ক বেন ষ্ট'কছকো ৪৪ ৰানত বুমৰাই আউট কৰে।

পাঁচখনীয়া এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলাৰ বৰ্তমান ১-১ ফলাফলত ড্ৰ হৈ আছে।

ooooo

সমাপ্ত